Dailyassam.com

দ্বিতীয় খণ্ড

দ্বিতীয় অধ্যায়

# কাৰ্য-কাৰণ বিধি
# (The Law of Causation)

দ্বিতীয় অধ্যায়ৰ অধ্যয়নৰ পিছত তোমালোকে শিকিবলৈ সমৰ্থ হ'বা —

- কাৰ্য-কাৰণ বিধি কি?
- কাৰণ সম্পৰ্কে এক সাধাৰণ ধাৰণা।
- কাৰণ আৰু উপকাৰণৰ সম্বন্ধ কেনেধৰণৰ?
- প্ৰযোজক আৰু সংস্থা, সক্ৰিয় আৰু নিষ্ক্ৰিয় উপকাৰণ, কাৰণ সমন্বয় আৰু কাৰ্য সংমিশ্ৰণ, নানাকাৰণবাদ আৰু কাৰণ সমন্বয়ৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে।
- কাৰণ সম্পৰ্কে এৰিষ্টট'লৰ ধাৰণা।
- কাৰণ সম্পৰ্কে আই এম কপিৰ ধাৰণা।
- প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধিৰ সম্পৰ্ক সম্বন্ধে।

### বিষয়বস্তু

- কাৰ্য-কাৰণ বিধি
- কাৰণৰ সংজ্ঞা আৰু লক্ষণ
- কাৰণ আৰু উপকাৰণ
- প্ৰযোজক আৰু সংস্থা
- সক্ৰিয় আৰু নিষ্ক্ৰিয় উপকাৰণ
- কাৰণ সমন্বয় আৰু কাৰ্য সংমিশ্ৰণ
- নানাকাৰণবাদ
- নানাকাৰণবাদ আৰু কাৰণ সমন্বয়
- কাৰণ সম্পৰ্কে এৰিষ্টট'লৰ ধাৰণা
- কাৰণ আৰু কাৰ্যৰ সম্বন্ধ সম্পৰ্কে আই এম কপিৰ মত
- তিনিটা দৃষ্টিভংগীৰে কাৰণ সম্বন্ধে ধাৰণা
- প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধিৰ সম্পৰ্ক

## • কাৰ্য-কাৰণ বিধি (The Law of Causation)

ইতিমধ্যে আমি পাই আহিছো যে বিশ্ব প্ৰকৃতিৰ কোনো ঘটনাই আকস্মিক নহয়। প্ৰত্যেকটো ঘটনাৰ অন্তৰালত আৰু এটা কাৰণ নিহিত হৈ থাকে। কাৰণ অবিহনে কোনো কাৰ্য সংঘটিত হ'ব নোৱাৰে। ইয়াকে কাৰ্য-কাৰণ বিধি বুলি কোৱা হয়।

ভাৰতীয় দৰ্শন শাস্ত্ৰতো আমি কাৰ্য-কাৰণ সম্বন্ধে জানিব পাৰো। বৌদ্ধ দৰ্শনত প্ৰতীত্যসমুৎপাদ নামেৰে এটা তত্ত্ব পাওঁ। এই

তত্ত্বটোৰ মতে জগতৰ কোনো এটা ঘটনা উৎপত্তিৰ পূৰ্বে সি আন এটা ঘটনাৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। জগতৰ সকলোবোৰ ঘটনাই কাৰ্য-কাৰণ সূত্ৰেৰে বান্ধ খোৱা। ন্যায়শাস্ত্ৰৰ মতেও প্ৰকৃতিত কাৰণ অবিহনে কোনো কাৰ্য সংঘটিত হ'ব নোৱাৰে। ঘটনাৰ অন্তৰালত এটা নিৰ্দিষ্ট কাৰণ থাকে। বৈশেষিক দৰ্শন মতেও কাৰণৰ উপস্থিতিৰ পৰাই কাৰ্যটো ঘটে। সেইদৰে সাংখ্য দৰ্শনেও কাৰ্য-কাৰণ বিধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সৎকাৰ্যবাদ মতে কাৰ্য উৎপত্তিৰ পূৰ্বে কাৰণত অন্তৰ্নিহিত হৈ থাকে।

কাৰণ নোহোৱাকৈ কোনো কাৰ্য সংঘটিত হ'ব নোৱাৰে। শূন্যৰপৰা আমি মাত্ৰ শূন্যই পাব পাৰো (Ex Nihilo Nihil fit)। বেইনে খুব সুন্দৰভাৱে উক্ত কথাষাৰৰ ব্যাখ্যা বহলভাৱে প্ৰকাশ কৰিছে। ব্যাখ্যাটো এনেধৰণৰ — যি ঘটে সেই ঘটনাটো তাৰ পূৰ্ববৰ্তী কোনো ঘটনাৰ লগত এনেভাৱে সম্বন্ধিত যে পূৰ্ববৰ্তী ঘটনাটো ঘটিলেহে আলোচ্য ঘটনাটো ঘটে। পূৰ্ববৰ্তী ঘটনাটো নঘটিলে আলোচ্য ঘটনাটো নঘটে। মিলৰ মতেও যি ঘটে তাৰ এটা কাৰণ থাকিবই লাগিব। উৎপত্তি থকা ঘটনাৰ নিশ্চয় এটা কাৰণো আছে।

উপৰুৱা দৃষ্টিত কোনো এটা ঘটনাৰ প্ৰকৃত কাৰণটো আমাৰ দৃষ্টিগোচৰ নহ'ব পাৰে। কিন্তু সেই ঘটনাটোৰ যে এটা নিৰ্দিষ্ট কাৰণ আছে তাক আমি স্বীকাৰ কৰিবই লাগিব। কোনো এটা ঘটনা এটা নিৰ্দিষ্ট কাৰণৰদ্বাৰা সংঘটিত নহৈ কেইবাটাও কাৰণ লগ লাগি সংঘটিত হ'ব পাৰে। তথাপি আমি কাৰণ সম্পৰ্কে থকা ধাৰণা নোহোৱা কৰিব নোৱাৰো। গতিকে কাৰ্য-কাৰণ বিধি অনুযায়ী — যি ঘটে সেই ঘটনাটোৰ এটা কাৰণ থাকিবই, সেই কাৰণৰদ্বাৰা কাৰ্যটো নিয়তভাৱে উৎপাদিত হ'ব লাগিব। যদি সেই কাৰণটো অনুপস্থিত থাকে, কাৰ্যটো উৎপাদিত হ'ব নোৱাৰে।

কাৰ্য-কাৰণ বিধি আগমনৰ আকাৰগত ভিত্তিৰ অন্তৰ্গত। এই বিধিয়ে আগমনত সামান্যীকৰণৰ আকাৰগত সত্যতা প্ৰদান কৰে।

মিল, বেইন আদি তৰ্কশাস্ত্ৰবিদসকলে দৃষ্ট দৃষ্টান্তবোৰৰ মাজত কাৰ্য-কাৰণ সম্বন্ধ নিৰ্ণয় কৰি সামান্য বচন প্ৰতিষ্ঠা কৰিবলৈ যিবোৰ সূত্ৰৰ উদ্ভাৱন কৰিছিল সেই সূত্ৰবোৰকে অপসৰণৰ সূত্ৰ বুলি কোৱা হয়। কোনো এটা ঘটনাৰ প্ৰকৃত কাৰণ সম্পৰ্কে অপসৰণৰ মূল সূত্ৰাৱলীয়ে আমাক বিশেষভাৱে সহায় কৰে। এই সূত্ৰৰ সহায়তে ঘটনাৰ লগত যুক্ত অপ্ৰাসংগিক বিষয়বোৰ বাদ দি ঘটনাটোৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰা হয়। গতিকে কোনো দিশৰপৰাই আগমনৰ আকাৰগত ভিত্তি ৰূপে কাৰ্য-কাৰণ বিধিক অলাগতিয়াল বুলি ক'ব নোৱাৰো। কাৰ্য-কাৰণ সূত্ৰই যিহেতু সিদ্ধান্তটো নিশ্চিত কৰে সেয়েহে ই বৈজ্ঞানিক আগমনকো নিশ্চিত কৰি তোলে। অপসৰণৰ এই সূত্ৰবোৰ কাৰ্য-কাৰণ বিধিৰপৰা নিগমনাত্মকভাৱে নিঃসৃত কৰা হয়। আকৌ এই সূত্ৰবোৰ কাৰ্য-কাৰণ বিধিৰ ওপৰত নিৰ্ভৰ কৰিয়েই গঠন কৰা হয়। যিহেতু ঘটনাৰ প্ৰকৃত কাৰণ সম্পৰ্কে আমি কাৰ্য-কাৰণ বিধিৰ ওপৰত নিৰ্ভৰ কৰিবই লাগিব। সেয়েহে কাৰ্য-কাৰণ বিধিক আগমনৰ আকাৰগত ভিত্তি বুলি কোৱা হয়।

## • কাৰণৰ সংজ্ঞা আৰু লক্ষণ (Definition and Characteristics of Cause)

কাৰণৰ সংজ্ঞা সম্বন্ধে বিভিন্ন তৰ্কবিদে বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াইছে। তৰ্কশাস্ত্ৰবিদ মিলে (Mill) কাৰণৰ সংজ্ঞা দুই ধৰণে আগবঢ়াইছে। প্ৰথম সংজ্ঞা অনুযায়ী ঘটনা বা ঘটনাৱলীৰ সংমিশ্ৰণৰ পিছত যদি কোনো ঘটনা এটা নিয়তভাৱে আৰু চৰ্তহীনভাৱে সংঘটিত হয়, তেনেহ'লে পূৰ্ববৰ্তী ঘটনাক কাৰণ আৰু পৰৱৰ্তী ঘটনাক কাৰ্য বোলে। দ্বিতীয় সংজ্ঞা অনুযায়ী কাৰণ হ'ল সদৰ্থক আৰু নঞৰ্থক উপকাৰণৰ সমষ্টি।

অভিজ্ঞতাবাদী হিউমৰ (Hume) মতে, কাৰণ কাৰ্যৰ নিয়ত পূৰ্ববৰ্তী ঘটনা মাত্ৰ।

তৰ্কবিদ বেইনৰ (Bain) মতে, কোনো কাৰ্য সংঘটিত হ'বলৈ হ'লে যিবোৰ চৰ্ত বা পৰিস্থিতিৰ প্ৰয়োজন হয়, সেই চৰ্ত বা পৰিস্থিতিৰ সামগ্ৰিতাকহে কাৰণ বোলে।

উক্তিসমূহক বিচাৰ বিশ্লেষণ কৰিয়েই কাৰভেথ ৰীডে (Carveth Read) তলত দিয়া ধৰণে বৈজ্ঞানিক দৃষ্টিকোণৰপৰা সমৰ্থিত কাৰণৰ এক সংজ্ঞা আগবঢ়াইছে।

কাৰভেথ ৰীডৰ মতে, গুণগতভাৱে কাৰণ কাৰ্যৰ নিয়ত অব্যৱহিত, চৰ্তহীন, পূৰ্ববৰ্তী ঘটনা আৰু পৰিমাণগতভাৱে কাৰণ আৰু কাৰ্য সমপৰিমাণৰ। কাৰণৰ এই সংজ্ঞামতে, কাৰণৰ দুই ধৰণৰ লক্ষণ দেখিবলৈ পোৱা যায়।

(ক) গুণগত লক্ষণ (qualitative marks)

(খ) পৰিমাণগত লক্ষণ (quantitative marks)

**(ক) গুণগত লক্ষণ**

গুণগত দিশৰপৰা কাৰণৰ সংজ্ঞাটো ব্যাখ্যা কৰিলে আমি তলত দিয়া ধৰণে ইয়াৰ বৈশিষ্ট্যবোৰ পাওঁ।

**(১) কাৰণ আৰু কাৰ্য পৰম্পৰ নিৰ্ভৰশীল।**

**(Cause and effect are relative to each other)**

কাৰ্য-কাৰণৰ এই সম্বন্ধটো আমি দুই ধৰণে গ্ৰহণ কৰিব পাৰো। প্ৰথম সম্বন্ধ অনুযায়ী কাৰণ অবিহনে কাৰ্য অসম্ভৱ আৰু কাৰ্য অবিহনেও কাৰণ অসম্ভৱ। কাৰণ আৰু কাৰ্যৰ এটাৰ অবিহনে আনটোৰ ধাৰণা নিৰৰ্থক বা অৰ্থহীন। এটাৰ অৰ্থ আনটোৰ জৰিয়তেহে লাভ কৰিব পাৰি। দ্বিতীয় সম্বন্ধ অনুযায়ী কাৰণ কেতিয়াবা কাৰ্য আৰু কেতিয়াবা কাৰ্য কাৰণ হ'ব পাৰে। প্ৰকৃতিৰ কিছুমান ঘটনা কেতিয়াবা আমি কাৰণ হিচাপে পাওঁ আৰু সেই একেই কাৰণকে কেতিয়াবা কাৰ্য হিচাপে পাওঁ। নিৰ্দিষ্ট এটা কাৰণেই যে সদায় কাৰণেই হ'ব বা নিৰ্দিষ্ট এটা কাৰ্যই যে সদায় কাৰ্যই হ'ব তাৰ কোনো সঠিকতা নাই। উদাহৰণ স্বৰূপে, বেছি চেচাপানী খোৱাৰ কাৰণে মানুহজনৰ জ্বৰ হ'ল। ইয়াত 'বেছি চেচাপানী খোৱাটো' কাৰণ আৰু 'জ্বৰ হোৱাটো' কাৰ্য। আকৌ অতিপাত গৰম হোৱা বাবেহে মানুহজনে বেছিকৈ চেচাপানী খালে। ইয়াত আকৌ 'অতিপাত গৰম'টো কাৰণ 'চেচাপানী খোৱাটো' এবাৰ কাৰণ আৰু এবাৰ কাৰ্য হিচাপে পোৱা গ'ল। সেয়েহে একেই কাৰণ কেতিয়াবা কাৰণ

আৰু কেতিয়াবা কাৰ্য হয়। ঠিক তেনেদৰে একেই কাৰ্য কেতিয়াবা কাৰ্য আৰু কেতিয়াবা কাৰণ হয়।

**(২) কাৰণ আৰু কাৰ্য দুয়োটাই বিশেষ সময়ত সংঘটিত হোৱা ঘটনা (Cause and effect are events in time)**

প্ৰকৃতিৰ ঘটনাসমূহৰ মাজত পৰিবৰ্তন ঘটা আমি দেখা পাওঁ। এই পৰিবৰ্তনবোৰেই কাৰ্য-কাৰণ সম্পৰ্কটো নিশ্চিত কৰে। প্ৰকৃতিত যদি কোনো ধৰণৰ পৰিবৰ্তনে দেখা নিদিলেহেঁতেন, যি যেনেকুৱা আছিল তেনেকুৱাই থাকিলেহেঁতেন তেতিয়া কাৰ্য-কাৰণ সম্বন্ধৰো কোনো প্ৰশ্ন আমাৰ মনলৈ নাহিলহেঁতেন। পৰিবৰ্তনসমূহ থকা কাৰণেহে আমাৰ মনত পৰিবৰ্তন সম্বন্ধে নানান প্ৰশ্নৰ উদয় হয়। তেতিয়াই এই পৰিবৰ্তনসমূহৰ কাৰণ অনুসন্ধান কৰো। এনে পৰিবৰ্তনবোৰৰ কাৰণেই বিভিন্ন সময়ত বিভিন্ন বৈজ্ঞানিকে বিভিন্ন নিয়ম আৱিষ্কাৰ কৰিছিল।

**(৩) কাৰণ কাৰ্যৰ পূববৰ্তী ঘটনা (Cause is antecedent to the effect)**

কাৰণ সদায় কাৰ্যৰ আগত ঘটে। কাৰণ আৰু কাৰ্যৰ সম্বন্ধ সহ-অৱস্থিতিৰ সম্বন্ধ নহয়। ই অনুক্ৰমিতা বা পৌৰ্বাপৰ্যৰ সম্বন্ধ। কাৰণ আৰু কাৰ্যৰ যিকোনো এটাক আগত আৰু আনটোক পিছত দিব নোৱাৰি। কাৰণ সদায় কাৰ্যৰ আগত থাকিবই আৰু কাৰ্যটো কাৰণৰ পিছতহে থাকিব। দুটা ঘটনা যেতিয়া অগাপিছাকৈ ঘটে তেতিয়া পূৰ্ববৰ্তী ঘটনাক কাৰণ আৰু পৰবৰ্তী ঘটনাক কাৰ্য বোলে। উদাহৰণ স্বৰূপে, লেতেৰা পানী খোৱাৰ কাৰণে মানুহজনৰ জণ্ডিচ হ'ল। ইয়াত 'লেতেৰা পানী খোৱাটো' কাৰণ আৰু 'জণ্ডিচ হোৱাটো' কাৰ্য। অতিৰিক্ত খৰাং বতৰ হোৱা বাবে এইবাৰ শস্য নষ্ট হ'ল। ইয়াত 'খৰাং বতৰ' কাৰণ আৰু 'শস্য নষ্ট হ'ল' কাৰ্য।

**(৪) কাৰণ কাৰ্যৰ নিয়ত, পূৰ্ববৰ্তী ঘটনা (Cause is invariable antecedent to the effect)**

প্ৰতিটো কাৰ্যৰে একোটা কাৰণ থাকে। এই কাৰণটো সদায় কাৰ্যৰ আগত থাকে। অৰ্থাৎ ই পূৰ্ববৰ্তী। কিন্তু ক'ৰবাত উপস্থিত থকা ক'ৰবাত অনুপস্থিত থকা যিকোনো পূৰ্ববৰ্তী ঘটনাক আমি কাৰণ বুলি ক'ব নোৱাৰো। নিয়ত ঘটনাকহে কাৰণ বুলি কোৱা হয়। কাৰ্যটো ঘটাৰ পূৰ্বে কাৰণটো সদায় অপৰিবৰ্তনীয়ভাৱে কোনো ব্যতিক্ৰম নোহোৱাকৈ উপস্থিত থাকিব লাগিব। ইয়াকে কাৰ্য-কাৰণ সম্পৰ্কৰ একৰূপতা বোলে। অভিজ্ঞতাবাদী হিউমৰ মতে, পূৰ্ববৰ্তী ঘটনাৰ এনে নিয়ত পূৰ্বপৰতাই হ'ল কাৰণৰ লক্ষণ। কাৰ্যৰ আগত অসংখ্য ঘটনা ঘটে। কিন্তু যিকোনো এটা পূৰ্ববৰ্তী ঘটনাই তাৰ পৰবৰ্তী ঘটনাৰ কাৰণ হ'ব নোৱাৰে। কাৰণ হ'বলৈ হ'লে ই নিয়ত অৰ্থাৎ অপৰিবৰ্তনীয় হ'ব লাগিব। যিকোনো এটা পূৰ্ববৰ্তী ঘটনাক তাৰ পৰবৰ্তী ঘটনাৰ কাৰণ বুলি ধৰি ল'লে ই কাকতালীয় দোষেৰে (Fallacy of post hoc ergo propter hoc) After this, therefore, on account of this) দূষিত হোৱাৰ সম্ভাৱনা থাকে। এডাল তাল গছত হঠাত এটা কাউৰী আহি পৰাত গছত থকা তালবিলাক সৰি পৰিল। ওপৰে ওপৰে কাউৰীজনীকে তাল সৰাৰ কাৰণ বুলি কোৱা হয়।

Dailyassam.com



কিয়নো 'কাউৰীজনী গছত বহাটো' পূৰ্ববৰ্তী ঘটনা আৰু 'তাল সৰাটো পৰবৰ্তী ঘটনা। কিন্তু তাল সৰাৰ কাৰণ অন্যহে। পকি থকা কাৰণেহে তালবিলাক, কাউৰীজনী বহাৰ লগে লগে সৰি পৰিল। যিহেতু কাউৰীজনীকে তাল সৰাৰ কাৰণ বুলি কোৱা হৈছে। সেয়েহে ই কাকতালীয় দোষেৰে দোষযুক্ত। 'বোৱাৰীজনী ঘৰ সোমোৱাৰ লগে লগে শাহুৰেকৰ মৃত্যু হ'ল', 'ঘড়ীটো বন্ধ হোৱাৰ লগে লগে ৰোগীজনৰ মৃত্যু হ'ল', ধূমকেতুৰ আবিৰ্ভাবৰ পিছত সেই দেশৰ ৰজাৰ মৃত্যু হ'ল' আদি যুক্তিবোৰ কাকতালীয় দোষেৰে দোষযুক্ত।

**(৫) কাৰণ কাৰ্যৰ চৰ্তহীন, নিয়ত, পূৰ্ববৰ্তী ঘটনা (Cause is unconditional, invariable antecedent to the effect)**

অভিজ্ঞতাবাদী হিউমৰ মতে, কাৰ্য-কাৰণ সম্পৰ্কটো অপৰিৱৰ্তনীয় অনুক্ৰমৰ বাহিৰে আন একো নহয়। টমাছ ৰিডে (Thomas Reid) হিউমৰ এই সংজ্ঞাৰ সমালোচনা কৰি কয় যে যদি কাৰণ কেৱল নিয়ত পূৰ্ববৰ্তী ঘটনাই হয় তেনেহ'লে দিন ৰাতিৰ কাৰণ, ৰাতি দিনৰ কাৰ্য হ'ব বা ৰাতি দিনৰ কাৰণ, দিন-ৰাতিৰ কাৰ্য হ'ব। কিয়নো দিনৰপৰা আৰম্ভ কৰিলে নিয়তভাৱেই কোনো ব্যতিক্ৰম নোহোৱাকৈ দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পিছত দিন আহে। আচলতে কিন্তু দিন ৰাতি কোনোটোৱেই এটা আনটোৰ কাৰণ হ'ব নোৱাৰে। দিন ৰাতি আচলতে সূৰ্যৰ স্থিৰ অৱস্থান বা পৃথিৱীৰ আৱৰ্তনৰ বাবেহে হয়। গতিকে দিনক ৰাতিৰ কাৰণ আৰু ৰাতিক দিনৰ কাৰণ বুলি ক'ব নোৱাৰি। দুয়োটাই সহোৎপজাত কাৰ্যহে (Co-effects)। সেয়েহে কাৰণ হ'বলৈ হ'লে ই চৰ্তহীন নিয়ত পূৰ্ববৰ্তী ঘটনা হ'ব লাগিব।

মিলেও হিউমৰ কথাৰ বিৰোধিতা কৰি কয় যে কাৰণ কাৰ্যৰ চৰ্তহীন নিয়ত পূৰ্ববৰ্তী ঘটনা। কাৰণ কাৰ্যৰ কেৱল পূৰ্ববৰ্তী ঘটনাই নহয়, কাৰণক কাৰ্যৰ উৎপাদক হিচাপেও গণ্য কৰা হয় (The cause not only preceds the effect but also produces it)।

মিলৰ মতে, চৰ্তহীন পূৰ্বঘটনাই এক শ্ৰেণী পূৰ্ববৰ্তী পাৰিপাৰ্শ্বিক অৱস্থাক বুজায়। এই পূৰ্ববৰ্তী পাৰিপাৰ্শ্বিক অৱস্থাই অন্য কোনো চৰ্তৰ সহায় নোহোৱাকৈ কাৰ্যটো উৎপাদন কৰে। গতিকে এনে চৰ্তই সদায় একেটা কাৰ্যই সংঘটিত কৰায়। এতেকে কাৰ্য উৎপাদন কৰা কাৰণটো নিজে নিজেই কাৰ্যটো উৎপাদন কৰিবৰ বাবে যথেষ্ট হ'ব লাগিব। অৰ্থাৎ কাৰণৰ উপস্থিতিয়ে কাৰ্যটো ঘটাব আৰু কাৰণৰ অনুপস্থিতিয়ে কাৰ্যটো ঘটাত বাধা দিব। গতিকে কাৰণ আৰু কাৰ্যৰ সম্পৰ্কটো অনিবাৰ্য সম্পৰ্ক হ'ব লাগিব।

**(৬) কাৰণ কাৰ্যৰ চৰ্তহীন, নিয়ত, অব্যৱহিত পূৰ্ববৰ্তী ঘটনা (Cause is unconditional, invariable, immediate antecedent to the effect)**

কাৰণ কাৰ্যৰ অব্যৱহিত অৰ্থাৎ নিকটবৰ্তী পূৰ্ববৰ্তী হ'ব লাগিব। অব্যৱহিত শব্দৰ অৰ্থ হ'ল দুটা ঘটনাৰ মাজত ব্যৱধান নথকাটো। কাৰণটো উৎপত্তি হোৱাৰ লগে লগে কাৰ্যটোও ঘটিব লাগিব। অৰ্থাৎ

কাৰণ কাৰ্যৰ একেবাৰে নিকটবৰ্তী হ'ব লাগিব। দূৰবৰ্তী পূৰ্ববৰ্তী ঘটনাই (Remote antecedent) কাৰ্য উৎপাদন কৰিব নোৱাৰে।

নিকটবৰ্তী কাৰণ মানে এনে চৰ্ত যি চৰ্ত অব্যৱহিতভাবে কাৰ্যৰ আগত থাকে অৰ্থাৎ পূৰ্বগামী। আৰু যিয়ে আন কোনো চৰ্তৰ সহায় নোলোৱাকৈ কাৰ্যটো উৎপাদন কৰে। আনহাতে দূৰবৰ্তী কাৰণ সদায় নিকটবৰ্তী কাৰণৰ আগত থাকে। উদাহৰণ স্বৰূপে, ছমাহ আগতে চেন্নাইলৈ যাওঁতে মই সাগৰীয় মাছ খাইছিলো। কিন্তু এতিয়াহে মোৰ পেটৰ অসুখ হৈছে। মোৰ এই পেটৰ অসুখৰ কাৰণ ছমাহ আগতে খোৱা সাগৰীয় মাছৰ কাৰণে হ'ব নোৱাৰে। কিয়নো এই ছমাহৰ ভিতৰত মোৰ শৰীৰৰ স্বাস্থ্য সম্বন্ধে বহুতো ঘটনাই ঘটিছে। এই ছমাহত ঘটা ঘটনাবোৰ আৰু ছমাহ আগতে খোৱা মাছ যদি মোৰ পেটৰ অসুখৰ কাৰণ হয়, তেনেহ'লে ই চৰ্তসাপেক্ষ হৈ পৰিব।

সেয়েহে কাৰণ কাৰ্যৰ নিকটবৰ্তী হ'ব লাগিব। দূৰবৰ্তী বা ব্যৱহিত হ'ব নোৱাৰে। গতিকে গুণগত দিশৰপৰা কাৰণ হৈছে কাৰ্যৰ চৰ্তহীন, নিয়ত, অব্যৱহিত পূৰ্ববৰ্তী ঘটনা।

**(খ) কাৰণৰ পৰিমাণগত লক্ষণ**

পৰিমাণগত দিশৰপৰা কাৰণ কাৰ্যৰ সমান। অৰ্থাৎ কাৰণৰ অন্তৰ্গত থকা উপাদান (matter) আৰু শক্তি (energy) কাৰ্যৰ অন্তৰ্গত থকা উপাদান আৰু শক্তিৰ সমান।

পদাৰ্থবিজ্ঞানৰ দ্ৰব্য আৰু শক্তিৰ অবিনশ্বৰতা নিয়মৰ (Law of Conservation of matter and energy) ওপৰত কাৰণৰ এই পৰিমাণগত লক্ষণটো প্ৰতিষ্ঠিত।

দ্ৰব্যৰ অবিনশ্বৰতা নিয়ম অনুযায়ী এই জগতত থকা কোনো বস্তুৰে পৰিমাণ বঢ়া-টুটা নহয়। জগতত বস্তুৰ পৰিমাণ যি আছে সি একেই থাকিব। এটা বস্তুৰ আকৃতিৰ সলনি হ'ব পাৰে। কিন্তু সেই আকৃতিৰ অন্তৰালত থকা বস্তুৰ পৰিমাণ সদায় একেই থাকিব। উদাহৰণ স্বৰূপে, দুভাগ হাইড্ৰ'জেন আৰু এভাগ অক্সিজেন মিহলালে পানীৰ সৃষ্টি হয়। ইয়াত হাইড্ৰ'জেন আৰু অক্সিজেন দুয়োটাই গেছীয় পদাৰ্থ (gas); কিন্তু দুয়োটাৰ সংমিশ্ৰণৰ ফলত যি পানীৰ সৃষ্টি হয়, সি জুলীয়া পদাৰ্থ (liquid)। ইয়াত গেছীয় পদাৰ্থই জুলীয়ালৈ ৰূপান্তৰিত হ'ল। যদিও ইয়াত ৰূপৰ পৰিবৰ্তনে দেখা দিলে সংমিশ্ৰিত উপাদানৰ ফলত পৰিমাণৰ কোনো পৰিবৰ্তন নহ'ল। পৰীক্ষাগাৰত পৰীক্ষা কৰি দেখা গৈছে যে নিৰ্দিষ্ট পৰিমাণৰ হাইড্ৰ'জেন আৰু অক্সিজেন মিহলালেহে সেই একে পৰিমাণৰ পানী পোৱা যায়। গতিকে বস্তুৰ আকৃতিৰ পৰিবৰ্তন হ'লেও ইয়াৰ মুঠ পৰিমাণৰ কেতিয়াও হ্ৰাস-বৃদ্ধি নহয়। পৰিমাণ সদায় একে থাকে। সেয়েহে ই অবিনশ্বৰ।

আকৌ শক্তিৰ অবিনশ্বৰতা নিয়ম মতেও এই জগতত শক্তিৰ পৰিমাণৰো কোনো বঢ়া-টুটা নহয়। এটা শক্তি আন এটা শক্তিলৈ সলনি হ'ব পাৰে। কিন্তু পৰিণামত পৰিমাণৰ কোনো সাল-সলনি নহয়। জগতত মুঠ শক্তিৰ পৰিমাণ সদায় একেই থাকিব। উদাহৰণ স্বৰূপে, খুব জোৰেৰে ঘূৰি থকা ফেন

এখনত গতিশক্তিয়ে (energy of motion) কাম কৰি থাকে। ফেনখন বন্ধ কৰি দিয়াৰ পিছত এনে লাগে যেন ইয়াৰ গতিশক্তিৰ অৱসান ঘটিছে। আচলতে কিন্তু গতিশক্তিটো তাপ শক্তিলৈহে (energy of heat) ৰূপান্তৰিত হৈছে। শক্তিৰ ক্ষেত্ৰতো কাৰণত থকা শক্তিৰ পৰিমাণ আৰু কাৰ্যত থকা শক্তিৰ পৰিমাণ একে।

গতিকে শক্তিৰ অবিনশ্বৰতা নিয়ম মতেও জগতত মুঠ শক্তিৰ পৰিমাণ সদায় একেই থাকিব। শক্তিৰ ৰূপান্তৰৰ ফলতহে কাৰ্যৰ উৎপাদন হয়। পৰিমাণগতভাৱে কাৰণ আৰু কাৰ্য সমতুল্য।

কাৰণৰ এই লক্ষণবোৰৰপৰা আমি ইয়াকে ক'ব পাৰো যে গুণগত দিশৰপৰা কাৰণ কাৰ্যৰ চৰ্তহীন, নিয়ত, অব্যৱহিত পূৰ্ববৰ্তী ঘটনা আৰু পৰিমাণগতভাৱে কাৰণ আৰু কাৰ্য সমপৰিমাণৰ। বৈজ্ঞানিক কাৰণত এনে লক্ষণযুক্ত কাৰণ থকা দেখা যায়।

### কাৰণ আৰু উপকাৰণ
### (Cause and Condition)

ইতিমধ্যে আমি কাৰণ সম্বন্ধে আলোচনা কৰি আহিছো। কাৰণ হ'ল কাৰ্যৰ চৰ্তহীন, নিয়ত, অব্যৱহিত পূৰ্ববৰ্তী ঘটনা। এই সংজ্ঞাটোৰ মতে, কাৰ্য উৎপাদনৰ বাবে কাৰণে আন কোনো চৰ্তৰ (বাহ্য) বা ঘটনাৰ ওপৰত নিৰ্ভৰ নকৰে। যিহেতু কাৰণে আন কোনো চৰ্তৰ ওপৰত নিৰ্ভৰ নকৰে সেয়েহে কাৰ্যটো ঘটাবৰ বাবে দৰকাৰী চৰ্তবোৰ ইতিমধ্যে কাৰণত থাকিব লাগিব। দেখা গ'ল, কাৰণ কোনো এটা বিশেষ ঘটনা নহয়। কাৰণ হ'ল ঘটনাৰ সমষ্টি। কাৰ্য উৎপাদনৰ বাবে কাৰণত যিবোৰ ঘটনা অন্তৰ্ভুক্ত হৈ থাকে সেই সকলোবোৰেই একো একোটা উপকাৰণ। গতিকে —

কাৰণৰ অপৰিহাৰ্য অংশক উপকাৰণ বোলে। উদাহৰণ স্বৰূপে, কোনো এজন মিস্ত্ৰী কাম কৰি থাকোতে চাদৰ পৰা পৰি মৃত্যু হ'ল। ওপৰে ওপৰে চালে চাদৰপৰা পৰাটোৱেই মিস্ত্ৰীজনৰ মৃত্যুৰ কাৰণ যেন লাগে। কিন্তু চাদৰপৰা পৰাটোৱেই মিস্ত্ৰীজনৰ মৃত্যুৰ কাৰণ হ'ব নোৱাৰে। কিয়নো চাদৰপৰা পৰিলেই মানুহৰ মৃত্যু নহয়। উপৰিউক্ত কাৰণটোৰ লগত আৰু বহুতো ঘটনা মিস্ত্ৰীজনৰ মৃত্যুৰ কাৰণত জড়িত হৈ আছে। যদি চাদখন চাপৰ হ'লহেঁতেন, পৰা ঠাইখিনি যদি মাটিৰ হ'লহেঁতেন, বুকুত দুখ নাপালেহেঁতেন, পৰাৰ লগে লগে যদি কাৰোবাৰ সহায় পালেহেঁতেন, সুচিকিৎসা যদি পালেহেঁতেন, শাৰীৰিকভাবে যদি মিস্ত্ৰীজন সবল হ'লহেঁতেন তেনেহ'লে নিশ্চয় মৃত্যু নহ'লহেঁতেন। গতিকে অকল চাদৰপৰা পৰাটোৱেই মৃত্যুৰ কাৰণ হ'ব নোৱাৰে। মৃত্যু ঘটাবৰ বাবে উপৰিউক্ত ঘটনাবোৰৰ বা চৰ্তবোৰৰো সমানে দৰকাৰ। মৃত্যু ঘটাবৰ বাবে এই সকলোবোৰ ঘটনাই একো একোটা অপৰিহাৰ্য অংশ। গতিকে প্ৰত্যেকটোৱেই একো একোটা উপকাৰণ।

কাৰভেথ ৰীডৰ মতে, উপকাৰণ হৈছে কাৰণৰ অপৰিহাৰ্য অংশ। অৰ্থাৎ কাৰণৰ অন্তৰ্গত প্ৰতিটো ঘটনাই একো একোটা উপকাৰণ।

তৰ্কবিদ মিলৰ মতে কাৰণ অনুকূল বা সদৰ্থক (positive) আৰু প্ৰতিকূল বা নঞৰ্থক (negative)

উপকাৰণৰ সমষ্টি। কাৰভেথ ৰীডৰ মতেও অনুকুল আৰু প্ৰতিকূল উপকাৰণৰ সমষ্টিয়ে কাৰণ।

উপকাৰণ দুই প্ৰকাৰৰ —

১। অনুকূল বা সদৰ্থক উপকাৰণ (Positive Condition)

২। প্ৰতিকূল বা নঞৰ্থক উপকাৰণ (Negative Condition)

যি উপকাৰণৰ সহায়ত কাৰ্যটো ঘটে তাক অনুকূল উপকাৰণ বোলে। অনুকূল উপকাৰণৰ উপস্থিতিত কাৰ্যটো ঘটে।

যি উপকাৰণৰ সহায় অবিহনে কাৰ্যটো ঘটে তাক প্ৰতিকুল উপকাৰণ বোলে। প্ৰতিকুল উপকাৰণৰ অনুপস্থিতিতহে কাৰ্যটো ঘটে। প্ৰতিকূল উপকাৰণে কাৰ্য উৎপাদনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

অনুকূল আৰু প্ৰতিকূল উপকাৰণৰ সমষ্টিতহে কোনো এটা কাৰ্য সংঘটিত হয়। ওপৰৰ উদাহৰণটোত চাদৰপৰা পৰি মিস্ত্ৰীজনৰ মৃত্যু হোৱাৰ ক্ষেত্ৰত চাদখনৰ উচ্চতা, মাটিৰ কঠিনতা, বুকুত দুখ পোৱা আদিবোৰেই হ'ল অনুকূল উপকাৰণ। আনহাতে তেওঁৰ শাৰীৰিক ক্ষমতা, কোনো ব্যক্তিৰপৰা পোৱা সহায়, সু-চিকিৎসা পোৱা ইত্যাদিবোৰ হ'ল প্ৰতিকূল উপকাৰণ।

**কাৰণ আৰু উপকাৰণৰ সম্বন্ধ (Relation between Cause and Condition)**

কাৰণ হ'ল বিভিন্ন উপকাৰণৰ সমষ্টি আৰু উপকাৰণ হ'ল কাৰণৰ বিভিন্ন অংশ। কাৰণ অবিহনে উপকাৰণ থাকিব নোৱাৰে আৰু উপকাৰণ অবিহনেও কাৰণ হ'ব নোৱাৰে। সমগ্ৰৰ অবিহনে অংশ অসম্ভৱ। ঠিক তেনেদৰে অংশৰ অবিহনেও সমগ্ৰ অসম্ভৱ। যেনেকৈ অংশৰ সমষ্টিতহে সমগ্ৰ থাকে ঠিক তেনেদৰে উপকাৰণৰ সমগ্ৰতাতহে কাৰণ পোৱা যায়।

সাধাৰণতে কাৰণৰ ভিতৰত যে উপকাৰণবোৰ সোমাই থাকে, সেই কথাটোলৈ আমি মন নিদিওঁ। সেই কাৰণে সাধাৰণ দৃষ্টিভংগীৰপৰা কোনো কাৰ্য সংঘটিত হ'লে যিটো উপকাৰণ সহজতে আমাৰ দৃষ্টিগোচৰ হয় সেইটোকে কাৰণ বুলি কওঁ। সাধাৰণ বা লৌকিক দৃষ্টিত যিকোনো এটা উপকাৰণেই কাৰণ। পানীত পৰি মৃত্যুবৰণ কৰা লোকজনৰ ক্ষেত্ৰত আমি পানীত পৰাটোৰেই মৃত্যুৰ কাৰণ বুলি কওঁ। আচলতে সেই কাৰণটো বহুতো উপকাৰণৰ ভিতৰত এটাহে। যদি পানীত পৰাটোৰেই মানুহৰ মৃত্যুৰ কাৰণ হ'লহেঁতেন। তেতিয়াহ'লে পানীত পৰা সকলো মানুহৰেই মৃত্যু হ'লহেঁতেন। কিন্তু তেনে নহয়। বহুতো পানীত পৰা মানুহে মৃত্যুৰ পৰা সাৰি যায়। জুই জ্বলাবলৈ দিয়াচলাইৰ কাঠিডালকে কাৰণ বুলি কোৱা হয়। কিন্তু অকলে দিয়াচলাইৰ কাঠিয়ে জুই জ্বলাব নোৱাৰে। যদি পাৰিলেহেঁতেন য'ত দিয়াচলাইৰ কাঠি থাকে তাতে জুই জ্বলিব লাগিছিল।

- **প্ৰযোজক আৰু সংস্থা (Moving power and Collocation)**

তৰ্কশাস্ত্ৰবিদ বেইনে শক্তিৰ সংৰক্ষণৰ দিশৰপৰা কোনো এটা ঘটনাৰ কাৰণক দুটা উপাদানত ভাগ কৰিছে।

(ক) প্ৰযোজক, (খ) সংস্থা

যি শক্তিয়ে কৰ্ম সঞ্চাৰ কৰে বা ক্রিয়াক উদ্দীপিত কৰে তাকে প্ৰযোজক বোলে। আনহাতে, পাৰিপাশ্বিক ঘটনাৰ যি সমাবেশত প্ৰযোজকে বা ক্রিয়া উদ্দীপক শক্তিয়ে কাৰ্য উৎপাদন কৰে, সেই ঘটনা সমাবেশক সংস্থা বোলে।

উদাহৰণ স্বৰূপে, জ্বলি থকা দিয়াচলাইৰ কাঠি এডাল শুকান খেৰৰ দ'ম এটাত লগাই দিয়াত জুই জ্বলি উঠিল। ইয়াতে জ্বলি থকা কাঠিডাল প্ৰযোজক আৰু শুকান খেৰৰ দ'মটো সংস্থা।

উপকাৰণৰ এনে বিভাগটোৰ যুক্তিযুক্ততা আছে। কিয়নো জ্বলি থকা দিয়াচলাইৰ কাঠিডাল আৰু খেৰৰ দ'মটো দুয়োটাই কাৰ্য উৎপাদনৰ বাবে অৰ্থাৎ জুই উৎপাদনৰ বাবে অপৰিহাৰ্য। এটাৰ অবিহনে আনটোৱে কাৰ্য উৎপাদন কৰিব নোৱাৰে। জ্বলি থকা কাঠি এডাল যদি তিতা (wet) খেৰৰ দ'মত পেলাই দিয়া হয় তেতিয়া জুই নজ্বলে। আকৌ যদি জুই নলগোৱা কাঠি এডাল শুকান খেৰৰ দ'মত পেলাই দিয়া হয়, তেতিয়াও জুই নজ্বলে। জুই জ্বলাবৰ কাৰণে দুয়োৰে প্ৰয়োজন। দুয়োটাই কাৰণৰ অপৰিহাৰ্য অংশ। এটাৰ অনুপস্থিতিত আনটো নঘটে। গতিকে কাৰণ হ'ল প্ৰযোজক আৰু সংস্থাৰ সমষ্টি।

## • সক্রিয় আৰু নিষ্ক্রিয় উপকাৰণ (Agent and Patient Condition)

উপকাৰণক কোনো কোনো তৰ্কবিদে আকৌ দুই ভাগত ভাগ কৰিছে।

১। সক্রিয় উপকাৰণ বা কৰ্তাপাত্ৰ

২। নিষ্ক্রিয় উপকাৰণ বা কৰ্মপাত্ৰ।

যিয়ে কামটো কৰে সি কৰ্তা আৰু যাৰ ওপৰত কাৰ্যটো কৰা হয় সি হৈছে কৰ্ম। গতিকে কৰ্তাই কৰ্মৰ ওপৰত ক্রিয়া কৰে। এই ক্রিয়াশীল উপকাৰণেই হৈছে সক্রিয় উপকাৰণ। উদাহৰণ স্বৰূপে, জ্বলি থকা জুই শিখা এটা খেৰৰ দ'মৰ ওপৰত পেলাই দিয়াৰ পিছত পুৰি দাহ হৈ গ'ল। ইয়াত জুই শিখাটো সক্রিয় উপকাৰণ আৰু খেৰৰ দ'মটো নিষ্ক্রিয় উপকাৰণ।

কিন্তু উপকাৰণৰ এই পাৰ্থক্যটো বিজ্ঞানসন্মত ভাৱে গ্ৰহণ কৰিব নোৱাৰি। লৌকিকভাৱেহে ইয়াক শুদ্ধ যেন লাগে। এই পাৰ্থক্যটো শক্তিৰ উপস্থিতি অনুপস্থিতিৰ ওপৰত ভিত্তি কৰিহে কৰা হৈছে। শক্তিৰ অবিনশ্বৰতা সূত্ৰ অনুসৰি, নিষ্ক্রিয় উপকাৰণৰ মাজতো শক্তি নিহিত হৈ থাকে। যদিহে নাথাকিলেহেঁতেন, তেনেহ'লে সক্রিয় উপকাৰণে কাৰ্যটো উৎপাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব নোৱাৰিলেহেঁতেন। সক্রিয় উপকাৰণৰ শক্তিখিনি পোনে পোনে আমাৰ চকুত ধৰা দিয়ে। সেয়েহে সক্রিয় উপকাৰণেই কাৰ্যটো ঘটাত অৰিহণা যোগায় বুলি আমি সক্রিয় উপকাৰণেকে প্ৰাধান্য দিওঁ। যদিও নিষ্ক্রিয় উপকাৰণৰ সুপ্ত অৱস্থাত থকা শক্তিখিনি আমাৰ দৃষ্টিগোচৰ নহয়, তথাপিও সক্রিয় উপকাৰণৰ দৰেই ইয়াৰ অৰিহণাক আমি নুই কৰিব নোৱাৰো। সেই কাৰণে মিলে সক্রিয় আৰু নিষ্ক্রিয় উপকাৰণৰ পাৰ্থক্য শাব্দিক বুলিহে কৈছে। প্ৰকৃত নহয়। সেয়েহে তেওঁৰ মতে নিষ্ক্রিয় উপকাৰণো সক্রিয় উপকাৰণেই।

- **কাৰণ সমন্বয় আৰু কাৰ্য সংমিশ্ৰণ (Conjunction of Causes and Intermixture of Effects)**

প্ৰতিটো কাৰ্যৰে একোটা কাৰণ থাকে। কাৰণ অবিহনে কোনো কাৰ্য ঘটিব নোৱাৰে। এটা কাৰণে মাত্ৰ এটা কাৰ্যহে উৎপাদন কৰিব পাৰে। কিন্তু কেতিয়াবা দেখা যায় যে এটা কাৰ্য উৎপাদন কৰিবৰ বাবে তাত বহুতো কাৰণ যুক্ত হৈ থাকে। এনে জটিল কাৰ্য কোনো এটা কাৰণে অকলে সম্পাদন কৰিব নোৱাৰে। একাধিক কাৰণ সংযোজিত হৈ একেলগে ক্ৰিয়া কৰি কোনো এটা জটিল কাৰ্য সম্পাদন কৰিলে, কাৰণবোৰক কাৰণ সমন্বয় বা কাৰণ সংযোজন বোলে।

আনহাতে, সংযোজিত কাৰণৰদ্বাৰা উৎপাদিত বিভিন্ন কাৰ্যৰ মিশ্ৰণক কাৰ্য সংমিশ্ৰণ বোলে। উদাহৰণ স্বৰূপে, এখন ফুটবল মেচত জয়ী হ'বলৈ হ'লে এজনৰ নহয়, বহুত কেইজন খেলুৱৈৰ প্ৰচেষ্টাৰ দৰকাৰ।

পানী, চেনি, চাহপাত, গাখীৰ আদি কেইবাটাও উপাদান মিহলাই চাহ প্ৰস্তুত কৰিব পাৰি। প্ৰথম উদাহৰণটোত কেইজনমান খেলুৱৈৰ সন্মিলিত চেষ্টাত মেচখন জিকা কাৰ্য সম্পাদিত হৈছে। দ্বিতীয় উদাহৰণটোত কেইবাটাও উপাদানৰ সমন্বয়ত চাহ প্ৰস্তুত কৰা কাৰ্য সম্পাদিত হৈছে। সেয়েহে খেলুৱৈকেইজনৰ সন্মিলিত চেষ্টা আৰু কেইবাটাও উপাদানৰ সমন্বয় — এই দুয়োটাই কাৰণ সমন্বয় বা কাৰণ সংযোজন।

আনহাতে, খেলুৱৈকেইজনৰ দক্ষতা এজন এজনকৈ নাথাকি সন্মিলিতভাৱে কাৰ্যটোত সংমিশ্ৰিত হৈ পৰিছে। চাহ প্ৰস্তুত কৰোঁতে উপাদানবোৰ বেলেগে বেলেগে নাথাকি একত্ৰিতভাৱে বা সংমিশ্ৰিতভাৱে কাৰ্যটো সম্পাদন কৰিছে। গতিকে মেচখন জিকা আৰু চাহ প্ৰস্তুত কৰা দুয়োটাই কাৰ্য সংমিশ্ৰণ।

**কাৰ্য সংমিশ্ৰণৰ ভাগ (Kinds of Intermixture of Effects)**

কাৰ্য সংমিশ্ৰণক দুই ভাগত ভগাব পাৰি।

(১) সমজাতীয় কাৰ্য সংমিশ্ৰণ (Homogeneous Intermixture of Effects)

(২) বিজাতীয় কাৰ্য সংমিশ্ৰণ (Heterogeneous Intermixture of Effects)

দুই বা ততোধিক একে জাতীয় কাৰণে সংযুক্তভাৱে ক্ৰিয়া কৰি যদি একে জাতীয় কাৰ্যৰ সৃষ্টি কৰে, তেতিয়া সেই একে জাতীয় কাৰ্যৰ সংমিশ্ৰণক সমজাতীয় কাৰ্য সংমিশ্ৰণ বোলে। এটা কোঠাত একেলগে তিনিটা চাকিৰ সহায়ত পোৱা পোহৰ কাৰ্য সংমিশ্ৰণ। প্ৰতিটো চাকিৰ পোহৰ একে অৰ্থাৎ একে জাতীয়। গতিকে ই সমজাতীয় কাৰ্য সংমিশ্ৰণ।

আনহাতে, একাধিক কাৰণে সংযুক্তভাৱে ক্ৰিয়া কৰাৰ ফলত সৃষ্টি হোৱা মিশ্ৰ কাৰ্যটো যদি কাৰণবোৰৰ প্ৰত্যেকে উৎপাদন কৰা কাৰ্যটোৰ লগত একে নহয়, অৰ্থাৎ সমজাতীয় নহয়, তেতিয়া সেই মিশ্ৰ কাৰ্যটোক বিজাতীয় কাৰ্য সংমিশ্ৰণ বোলে। দুভাগ হাইড্ৰ'জেন আৰু এভাগ অক্সিজেন বিদ্যুৎ শক্তিৰে মিহলালে পানীৰ সৃষ্টি হয়। গতিকে ইয়াত

পানী কাৰ্য সংমিশ্ৰণ। কাৰ্য সংমিশ্ৰণ হিচাপে পোৱা পানী উপাদানৰ লগত একে জাতীয় নহয়; বিজাতীয়হে। অক্সিজেন আৰু হাইড্ৰ'জেন গেছীয় পদাৰ্থ; কিন্তু তাৰপৰা পোৱা পানী জুলীয়া পদাৰ্থ। সেয়েহে ই বিজাতীয় কাৰ্য সংমিশ্ৰণ।

- **নানাকাৰণবাদ (The Doctrine of Plurality of Causes)**

নানাকাৰণবাদ কাৰণ সম্পৰ্কীয় এক ভ্ৰান্ত ধাৰণা। নানাকাৰণবাদ মতে, এটা কাৰ্যৰ কাৰণ এটা নহৈ বহুতো হ'ব পাৰে। জগতৰ ঘটনাবোৰ বৰ জটিল। ঘটনাৰ কাৰণবোৰ কেতিয়াবা এনেভাৱে যুক্ত হৈ থাকে যে ঘটনাৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰাত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়।

বৈজ্ঞানিকভাৱে কাৰণ আৰু কাৰ্য উভয়েই একো একোটা মিশ্ৰ জটিল ঘটনা। লৌকিক দৃষ্টিত কাৰ্যৰ অন্তৰ্গত সকলোবোৰ ঘটনাকে বিচাৰ কৰা নহয়। সহজতে চকুত পৰা আকৰ্ষণীয় ঘটনাকহে বেছি গুৰুত্ব দিয়া হয়। সেইটোকে কাৰ্য উৎপাদনৰ ক্ষেত্ৰত প্ৰধান বুলি বিবেচিত হয়। অকল যে কাৰণৰ ক্ষেত্ৰতেই এনে ভুল কৰো এনে নহয়, কাৰ্যৰ ক্ষেত্ৰতো কেতিয়াবা আমি একেটা ভুলেই কৰো। কাৰণ বা কাৰ্যৰ অন্তৰ্গত সকলোবোৰ ঘটনাকে কাৰণ আৰু কাৰ্য নিৰ্ণয় কৰোতে আমি সমানে গুৰুত্ব নিদিওঁ। ফলত কাৰ্য বা কাৰণ সম্বন্ধে আমাৰ মনলৈ কিছুমান ভুল ধাৰণা আহে। এই ভুল ধাৰণাৰ ফলতেই নানাকাৰণবাদৰ জন্ম হয়।

উদাহৰণ স্বৰূপে, 'মৃত্যুৰ' কাৰণ এটা নহৈ বহুতো হ'ব পাৰে। বেমাৰ, বিষপান, দুৰ্ঘটনা, আত্মহত্যা, হত্যা, পানীত পৰি আদি বহুতো কাৰণত মৃত্যু হ'ব পাৰে। সেইদৰে সূৰ্য, চন্দ্ৰ, বিজুলী, মমবাতি, লেম্প আদিৰদ্বাৰা পোহৰ সৃষ্টি হ'ব পাৰে। আকৌ তেজ কমাৰ বাবে, ভয়ৰ বাবে, বেজাৰৰ বাবে, অকস্মাতে শুনা দুঃসংবাদৰ বাবে কেতিয়াবা মানুহ এজন মূৰ্ছা যাব পাৰে। এনেবোৰ উদাহৰণৰপৰা দেখা যায় যে একেটা কাৰ্য বেলেগে বেলেগ সময়ত বেলেগ বেলেগ কাৰণে সংঘটিত কৰায়।

নানাকাৰণবাদক যদিও লৌকিক দৃষ্টিৰপৰা সঁচা যেন লাগে, বৈজ্ঞানিক দৃষ্টিৰপৰা কিন্তু নানাকাৰণবাদক সমৰ্থন কৰিব নোৱাৰি। কিয়নো ভুল ধাৰণাৰ ফলতহে নানাকাৰণবাদৰ ধাৰণা আমাৰ মনলৈ আহে।

**সমালোচনা**

নানাকাৰণবাদৰ অযুক্তিকতা বৈজ্ঞানিক দৃষ্টিভংগীৰে তলত দিয়া ধৰণেৰে আলোচনা কৰা হ'ল।

প্ৰথমতে, নানাকাৰণবাদত ঘটনাৰ অন্তৰ্গত থকা বিভিন্ন কাৰণবোৰৰ সাধাৰণ লক্ষণৰ ওপৰত গুৰুত্ব দিয়া নহয়। উপৰিউক্ত উদাহৰণটোত দেখা গৈছে যে 'মৃত্যুৰ' কাৰণ নানাধৰণৰ হ'ব পাৰে। (বেমাৰ, দুৰ্ঘটনা, আত্মহত্যা, হত্যা, পানীত পৰি ইত্যাদি) কিন্তু এটা সাধাৰণ কাৰণ যিটো কাৰণ সকলোবিলাক মৃত্যুৰ কাৰণে অপৰিহাৰ্য। হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাটোহে আচলতে মৃত্যুৰ কাৰণ। হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ নোহোৱালৈকে মৃত্যু নহয়।

দ্বিতীয়তে, নানাকাৰণবাদত কাৰণৰ বিশিষ্ট

স্বভাৱবোৰৰ ওপৰতহে গুৰুত্ব দিয়া হয়। কাৰ্যৰ বিশিষ্ট স্বভাৱবোৰৰ ওপৰত গুৰুত্ব দিয়া নহয়। আগতে উল্লেখ কৰা উদাহৰণটোত দেখা গৈছে যে মৃত্যু কেতিয়াবা বেমাৰ, কেতিয়াবা দুৰ্ঘটনা, কেতিয়াবা আত্মহত্যাত্ হ'ব পাৰে। কিন্তু দকৈ ভাবি চালে দেখা যায় যে মৃত্যুৰ কাৰণবোৰৰ স্বভাৱ বেলেগ বেলেগ। বেমাৰত হোৱা মৃত্যু, দুৰ্ঘটনাত হোৱা মৃত্যুৰ লগত নিমিলে। আত্মহত্যা কৰি হোৱা মৃত্যু, হত্যা কৰি কৰাৰ মৃত্যুৰ লগত নিমিলে। 'মৃত্যু' বিভিন্ন কাৰণবোৰৰ অন্তৰ্গত এটা সাধাৰণ লক্ষণ বা স্বভাৱ। কাৰণবোৰৰ যেনেকৈ বিশিষ্ট স্বভাৱ থকা দেখা যায়, ঠিক তেনেকৈ কাৰ্যৰো কিছুমান বিশিষ্ট স্বভাৱ থকা দেখা যায়। প্ৰতিটো ক্ষেত্ৰতে ই যদি মৃত্যুৰ স্বভাৱ একে হ'লহেঁতেন, তেনেহ'লে মৰণোত্তৰ পৰীক্ষাৰদ্বাৰা মৃত্যুৰ কাৰণ নিৰ্ণয় কৰা অসম্ভৱ হ'লহেঁতেন। কাৰ্যৰ বিশিষ্ট স্বভাৱ লক্ষ্য নকৰি কাৰণৰ বিশিষ্ট স্বভাৱ লক্ষ্য কৰাৰ বাবেহে এনে ভুল ধাৰণা হয়। তেতিয়াই নানাকাৰণৰ ধাৰণাটো মনলৈ আহে। আচলতে কাৰ্যৰ কাৰণ মাত্ৰ এটাই, নানাকাৰণ নহয়।

তৃতীয়তে, বৈজ্ঞানিক দৃষ্টিকোণৰপৰা নানাকাৰণবাদ গ্ৰহণযোগ্য নহয়। ইতিমধ্যে আমি পাই অহা কাৰণৰ সংজ্ঞাৰ সৈতে নানাকাৰণবাদৰ কোনো মিল নাই। সংজ্ঞামতে, কাৰণ কাৰ্যৰ চৰ্তহীন, নিয়ত, অব্যৱহিত পূৰ্ববৰ্তী ঘটনা। কিন্তু নানাকাৰণবাদ মতে একে কাৰ্যৰ নানা কাৰণ থাকিব পাৰে। বিভিন্ন সময়ত যদি একেটা কাৰ্য বিভিন্ন কাৰণৰদ্বাৰা উৎপাদিত হ'ব পাৰে তেতিয়া সেই কাৰণ নিয়ত নহৈ অনিয়ত হৈ পৰিব। কিন্তু প্ৰকৃত বা যথাৰ্থ কাৰণ কেতিয়াও অনিয়ত হ'ব নোৱাৰে।

ওপৰৰ আলোচনাৰপৰা গম পালো যে নানাকাৰণবাদ যুক্তিসংগত নহয়। নানাকাৰণবাদ কাৰণ সম্পৰ্কীয় এক ভুল ধাৰণাহে।

## • নানাকাৰণবাদ আৰু কাৰণ সমন্বয় (Plurality of causes and conjunction of causes)

নানাকাৰণবাদক কাৰণ সমন্বয়ৰ সৈতে একে শাৰীত পেলাব নোৱাৰি। নানাকাৰণবাদ মতে, বিভিন্ন কাৰণৰদ্বাৰা একেটা কাৰ্যই সংঘটিত হ'ব পাৰে। উদাহৰণ স্বৰূপে, পোহৰ আমি বিভিন্ন ধৰণৰ উৎস (মমবাতি, চাকি, লেম্প, বিজুলীবাতি, টৰ্চলাইট, সূৰ্য)ৰ পৰা পাব পাৰো। ইয়াত যদি পোহৰক কাৰ্য হিচাপে ধৰা হয়, তেতিয়া এই পোহৰৰ কাৰণ হিচাপে আমি মমবাতি, চাকি, লেম্প, সূৰ্য আদি ল'ব লাগিব। গতিকে দেখা গ'ল, একেটা কাৰ্য 'পোহৰ' বিভিন্ন কাৰণৰপৰা আহিছে।

আনহাতে, কাৰণ সমন্বয়ৰ মতে বহুকেইটা কাৰণ লগ লাগিহে কোনো এটা জটিল কাৰ্য সম্পাদন কৰা হয়। উদাহৰণ স্বৰূপে, এখন সুস্বাদ ব্যঞ্জন পাবৰ বাবে বিভিন্ন ধৰণৰ মচলা, নিমখ, হালধি, তেল, শাক-পাচলি, জুই, পানী, কেৰাহী আৱশ্যকীয় ঘটনা। ইয়াৰ কোনোটোৱে অকলে কাৰ্যটো সম্পাদন কৰিব নোৱাৰে। সকলোকেইটাৰ মিলিত প্ৰচেষ্টাতহে কাৰ্য হিচাপে সুস্বাদ ব্যঞ্জনখন

পাওঁ। বিভিন্ন ধৰণৰ উপাদানৰ সন্মিলিত অৱিহণাই কাৰণ সমন্বয় বা কাৰণ সংযোজন।

যদি দুয়োটাই কাৰণ সম্পৰ্কীয় মতবাদ, তথাপি দুয়োৰে মাজত পাৰ্থক্য নোহোৱা নহয়।

(১) নানাকাৰণবাদ মতে, কাৰ্যৰ অন্তৰ্গত কাৰণবোৰে পৃথকে পৃথকে কাৰ্যটো সম্পাদন কৰিব পাৰে। কিন্তু কাৰণ সমন্বয়ত কাৰ্যৰ অন্তৰ্গত কাৰণবোৰে পৃথকে কাৰ্যটো সম্পাদন কৰিব নোৱাৰে।

(২) নানাকাৰণবাদ এক ভ্ৰান্ত ধাৰণা, কিন্তু কাৰণ সমন্বয় ভ্ৰান্ত ধাৰণা নহয়।

## • কাৰণ সম্পৰ্কে এৰিষ্টট'লৰ দৃষ্টিভংগী (Aristotle's view of causation)

পাশ্চাত্য তৰ্কশাস্ত্ৰৰ জনক এৰিষ্টট'লৰ মতে, কাৰণৰ ধাৰণাটো এক জটিল প্ৰক্ৰিয়া। কাৰণৰ অন্তৰ্গত হিচাপে আমি চাৰিটা উপাদান পাওঁ। এই চাৰি উপাদানৰ এক জটিল সংমিশ্ৰণেই হৈছে কাৰণ। তেওঁৰ মতে, এই চাৰিটা উপাদানৰ প্ৰত্যেককে একো একোটা কাৰণ বুলি ক'ব পাৰি। এই চাৰি প্ৰকাৰ কাৰণ অবিহনে কাৰ্য উৎপাদন কৰিব নোৱাৰি। এই কাৰণ চাৰিটা হৈছে —

(১) উপাদান কাৰণ (material cause)

(২) আকাৰগত কাৰণ (formal cause)

(৩) নিমিত্ত কাৰণ (efficient cause)

(৪) পৰিণাম বা উদ্দেশ্য কাৰণ (final cause)

**উপাদান কাৰণ ঃ**

যি উপাদানৰ সহায়ত অৰ্থাৎ যি দ্ৰব্য বা পদাৰ্থৰে কাৰ্য উৎপাদন কৰা হয় তাক উপাদান কাৰণ বোলে। উদাহৰণ স্বৰূপে, কাপোৰখন তৈয়াৰ কৰোঁতে শিপিনীয়ে ব্যৱহাৰ কৰা সূতাখিনিয়েই হৈছে উপাদান কাৰণ। উপাদান হিচাপে আমি যি দ্ৰব্য ব্যৱহাৰ কৰো সেই দ্ৰব্যৰ পৰিবৰ্তন ঘটাইহে কাৰ্যটো পাব পৰা যায়। যিটো উপাদান পৰিবৰ্তন কৰা হয় সেইটো কাৰণ আৰু পৰিবৰ্তনৰ পিছত যিটো উপাদান পোৱা যায় সেইটো কাৰ্য। গতিকে কাৰণৰ পৰিবৰ্তন ঘটিহে কাৰ্যৰ সৃষ্টি হয়। উপাদানৰ ওপৰত কাৰ্যৰ প্ৰকৃতি নিৰ্ভৰ কৰে কাৰণে উপাদান কাৰণক এক প্ৰধান আৰু অত্যন্ত আৱশ্যকীয় কাৰণ বুলি ক'ব পাৰি।

**আকাৰগত কাৰণ ঃ**

কোনো কাৰ্য উৎপন্ন কৰোঁতে উপাদান বা দ্ৰব্যৰ ওপৰত যি নতুন ৰূপ দিয়া হয় তাকে আকাৰগত কাৰণ বোলে। বস্তু এটা উৎপন্ন হোৱাৰ পিছত সেই বস্তুটোত এটা নতুন ৰূপ দেখা যায়। ৰূপ অবিহনে বস্তুৰ অস্তিত্ব অসম্ভৱ। উদাহৰণ স্বৰূপে, শিপিনীয়ে সূতাৰপৰা এক বিশেষ ধৰণৰ ৰূপ দিহে কাপোৰখন তৈয়াৰ কৰে। এই ক্ষেত্ৰত কাপোৰখনত যি আকাৰ দিয়া হয় সেয়ে কাপোৰখনৰ আকাৰগত কাৰণ।

**নিমিত্ত কাৰণ ঃ**

কাৰ্য এটা উৎপন্ন কৰিবলৈ যি শ্ৰম বা শক্তিৰ প্ৰয়োজন হয় তাকে নিমিত্ত কাৰণ বোলে। উদাহৰণ স্বৰূপে, কাপোৰখন তৈয়াৰ কৰিবলৈ যাওঁতে

শিপিনীয়ে সূতাখিনিত প্ৰয়োগ কৰা শক্তি বা দক্ষতাই হৈছে কাপোৰখনৰ নিমিত্ত কাৰণ। কেতিয়াবা আকৌ কৰ্তাজনকেই নিমিত্ত কাৰণ বুলি কোৱা হয়।

**পৰিণাম বা উদ্দেশ্য কাৰণ ঃ**

যি উদ্দেশ্য আগত ৰাখিয়েই কোনো এটা কাৰ্য উৎপন্ন কৰা হয় তাকে পৰিণাম বা উদ্দেশ্য কাৰণ বোলে। এক আদৰ্শ আগত ৰাখিয়েই কোনো এটা কাৰ্য উৎপন্ন কৰা হয়। সেয়েহে আদৰ্শ হিচাপে উদ্দেশ্যটো কাৰণটোত অন্তৰ্নিহিত হৈ থাকে। উদাহৰণ স্বৰূপে, কাপোৰখন যেতিয়া সূতাৰপৰা তৈয়াৰ কৰা হয়, তেতিয়া ব্যৱহাৰৰ উদ্দেশ্যৰেহে কৰা হয়।

## • তিনিটা দৃষ্টিভংগীৰে কাৰণ সম্বন্ধে ধাৰণা (Cause viewed under three different aspects)

নিৰপেক্ষভাৱে কাৰ্যকাৰণৰ সম্বন্ধটো আমি তিনিটা দৃষ্টিভংগীৰে বিচাৰ কৰিব পাৰো। এই তিনিটা দৃষ্টিভংগী হ'ল —

(১) লৌকিক বা সাধাৰণ দৃষ্টিভংগী (cause from popular standpoint)

(২) বৈজ্ঞানিক দৃষ্টিভংগী (cause from scientific standpoint)

(৩) শক্তিৰ ৰক্ষণশীলতাৰ দৃষ্টিভংগী (cause from the standpoint of conservation of energy)

**(১) লৌকিক বা সাধাৰণ দৃষ্টিভংগী ঃ**

লৌকিক দৃষ্টিভংগীৰপৰা কাৰণ হ'ল এনে এটা ঘটনা যি ঘটনাক কাৰ্যটোৰ লগত জড়িত উপকাৰণবোৰৰপৰা কাৰণ হিচাপে বিবেচনা কৰা হয়। উদাহৰণ স্বৰূপে, এজন মানুহৰ নাও ডুবি মৃত্যু হ'ল।সাধাৰণতে নাৰৰ পৰা পৰি যোৱাটোকেই মানুহজনৰ মৃত্যুৰ কাৰণ হিচাপে গণ্য কৰা হয়। কিয়নো ঘটনাটো ঘটাৰ কাৰণে যিটো ঘটনাই আমাৰ চকুত সোনকালে ধৰা দিয়ে (ইয়াত নাওখন ডুবি যোৱা) তাকেই আমি কাৰণ হিচাপে ধৰি লওঁ। কিন্তু ইয়াৰ লগত জড়িত থকা আনুষংগিক ঘটনাবোৰ আমি ভালদৰে পৰ্যৱেক্ষণ নকৰো। যদি মানুহজনে সাঁতুৰিব জানিলেহেঁতেন, পৰি যোৱাৰ লগে লগে যদি কাৰোবাৰ সহায় পালেহেঁতেন, যদি নদীখনৰ গভীৰতা কম হ'লহেঁতেন, তেনেহ'লে নিশ্চয় মানুহজনৰ মৃত্যু নহ'লহেঁতেন। মৃত্যুৰ লগত জড়িত থকা এনেধৰণৰ ঘটনাবোৰ সাধাৰণতে আমাৰ চকুত ধৰা নপৰে। যেনেকৈ ফুটবল মেচ এখন জিকাৰ কাৰণে আমি গ'ল দিয়া খেলুৱৈজনকে মেচ জিকাৰ প্ৰধান কাৰণ হিচাপে গণ্য কৰো। আন খেলুৱৈকেইজনৰ পাৰদৰ্শিতা মেচ জিকাৰ কাৰণ হিচাপে আমাৰ চকুত ধৰা নিদিয়ে। গতিকে এনেধৰণৰ ঘটনাবোৰ সত্য হয় অকল লৌকিক দৃষ্টিভংগীতহে।

কাৰণৰ এনে ধৰণৰ সত্যতা কিন্তু আমি বৈজ্ঞানিক দৃষ্টিকোণৰপৰা মানি ল'ব নোৱাৰো। কাৰণ হ'ল অনুকূল আৰু প্ৰতিকূল উপকাৰণৰ সমষ্টি। কাৰ্য এটা সংঘটিত হ'বলৈ হ'লে বহুতবোৰ উপকাৰণ তাৰ লগত যুক্ত হৈ থাকে। কিন্তু ওপৰে

Dailyassam.com



ওপৰে আমি তাৰে যিকোনো এটাকহে মূল হিচাপে ধৰি লওঁ। সেই কাৰণেই বৈজ্ঞানিক দৃষ্টিভংগীৰপৰা কাৰণ সম্বন্ধে এই লৌকিক দৃষ্টিভংগী শুদ্ধ নহয়।

**(২) বৈজ্ঞানিক দৃষ্টিভংগী ঃ**

অনুকূল আৰু প্ৰতিকূল উপকাৰণৰ সমষ্টিৰে কাৰণ সদায় অপৰিবৰ্তনীয়, চৰ্তহীন আৰু অব্যৱহিতভাৱে কাৰ্যৰ আগত থাকে— এয়ে হ'ল বৈজ্ঞানিক দৃষ্টিকোণৰপৰা কাৰণ সম্পৰ্কে থকা ধাৰণা। কোনো এটা কাৰ্য সংঘটিত হ'বলৈ হ'লে কাৰ্যটোৰ লগত জড়িত থকা সকলোবোৰ আনুষংগিক ঘটনাকে চালিজাৰি চোৱা হয়। বৈজ্ঞানিক দৃষ্টিকোণৰপৰা কাৰ্যটোৰ বাবে অপৰিহাৰ্য সকলোবোৰ উপকাৰণ বা পৰিস্থিতিক সামগ্ৰিকভাৱে কাৰণ বুলি গণ্য কৰিব লাগিব। সাধাৰণতে আমি কিছুমান উপকাৰণক কাৰণৰ অন্তৰ্ভুক্ত নকৰো। অথচ সেই সকলোবোৰ উপকাৰণ কাৰ্যটোৰ বাবে সমানে দৰকাৰী। সেইবোৰৰ অনুপস্থিতিত হয়তো কাৰ্যটো নঘটিবও পাৰে। সেয়েহে বৈজ্ঞানিকে সকলোবোৰ উপকাৰণক কাৰণৰ অন্তৰ্ভুক্ত কৰে।

উদাহৰণ স্বৰূপে, গছৰপৰা পৰি এজন মানুহৰ মৃত্যু হ'ল। সাধাৰণ দৃষ্টিত আমি গছৰপৰা পৰি যোৱাটোকে মানুহজনৰ মৃত্যুৰ কাৰণ বুলি কওঁ। কিন্তু বৈজ্ঞানিক দৃষ্টিত অকল গছৰপৰা পৰি যোৱাটোৱে মৃত্যুৰ কাৰণ হ'ব নোৱাৰে। যদি গছৰপৰা পৰাটোৱেই মৃত্যুৰ কাৰণ হ'লহেঁতেন তেনেহ'লে গছৰপৰা পৰিলেই সকলো মানুহৰ মৃত্যু হ'লহেঁতেন। দেখা যায় গছৰপৰা পৰিও বহুত মানুহ নমৰাকৈ থাকে। ইয়াৰ পৰা ঠাৱৰ কৰিব পাৰি যে নিশ্চয় আৰু কিছুমান উপকাৰণে মানুহজনৰ মৃত্যুত সহায় কৰিছে। গছৰপৰা পৰাৰ পিছত টান মাটিত পৰা, অইন কাৰোবাৰ সহায় নোপোৱা, সু-চিকিৎসা নোপোৱা আদি বহুতো উপকাৰণ ইয়াৰ লগত সাঙোৰ খাই আছে। গতিকে সাধাৰণ দৃষ্টিভংগীতকৈ বৈজ্ঞানিকভাৱে পোৱা কাৰণৰ ধাৰণাটো সম্পূৰ্ণভাৱে সমৰ্থনযোগ্য।

**(৩) শক্তিৰ ৰক্ষণশীলতাৰ দৃষ্টিভংগী ঃ**

শক্তিৰ ৰক্ষণশীলতাত এটা শক্তিক আন এটা শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি। কিন্তু এই ৰূপান্তৰৰ ফলত শক্তিৰ কোনো হ্ৰাস-বৃদ্ধি নহয়। শক্তিৰ পৰিমাণ একে থাকে। মাত্ৰ আকাৰৰ পৰিবৰ্তন হয়। শক্তিৰ ৰক্ষণশীলতাৰ দৃষ্টিত কাৰ্য-কাৰণ মানে এটা ঘটনাৰপৰা আন এটা ঘটনালৈহে ৰূপান্তৰ সদায় সমপৰিমাণৰ। পূৰ্ববৰ্তী ঘটনাই যেতিয়া পৰবৰ্তী ঘটনাটো উৎপত্তি কৰে তেতিয়া শক্তিৰ বা পদাৰ্থৰ কম-বেছি নহয়। আমি মাত্ৰ কাৰণৰপৰা কাৰ্যটো ঘটাত তাৰ পৰিবৰ্তিত ৰূপটোহে প্ৰত্যক্ষ কৰো। উদাহৰণ স্বৰূপে, এখন কাপোৰ তৈয়াৰ কৰিবলৈ যাওঁতে সূতা, তাতশাল, শিপিনীজনীৰ দক্ষতা আদিৰ প্ৰয়োজন। এই সকলোবোৰৰ সংমিশ্ৰণৰ পিছত কাপোৰখন তৈয়াৰ হয় আৰু তেতিয়া আমি এটা পৰিবৰ্তিত ৰূপ দেখা পাওঁ। কিন্তু তাৰমানে এইটো নহয় যে কাপোৰখন তৈয়াৰ হোৱাৰ পিছত সকলোবোৰ উপকাৰণ শেষ হৈ যায়। সকলোবোৰ কাপোৰখনৰ মাজত নিহিত হৈ থাকে। যদি সকলোবোৰ শেষ হৈ গ'লহেঁতেন তেতিয়া আমি নিশ্চয় কাৰ্য হিচাপে কাপোৰখন নাপালোহেঁতেন।

## • প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্যকাৰণ বিধিৰি সম্পৰ্ক (Relation between the principle of uniformity of nature and the law of causation)

ইতিমধ্যে আমি পাই আহিছো যে প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধি দুয়োটাই আগমনৰ আকাৰগত ভিত্তি। প্ৰকৃতিৰ একৰূপতা বিধি অনুসৰি, একে পৰিৱেশত সদায় প্ৰকৃতিয়ে একে আচৰণ কৰে। এক বিশেষ পৰিস্থিতিত যি ঘটে সেই একে পৰিস্থিতিত সেই ঘটনা আকৌ ঘটিব। আনহাতে, কাৰ্য-কাৰণ বিধি অনুসৰি প্ৰত্যেক কাৰ্যৰে একোটা কাৰণ থাকে। নিৰ্দিষ্ট এটা কাৰণে সদায় নিৰ্দিষ্ট এটা কাৰ্যহে উৎপন্ন কৰে।

এই দুই বিধিৰ সম্পৰ্ক সম্বন্ধে তৰ্কবিদসকলৰ মাজত মতৰ অমিল থকা পৰিলক্ষিত হয়।

মিল, বেইন ৰেন আদি তৰ্কবিদসকলৰ মতে কাৰ্য-কাৰণ বিধিটো প্ৰকৃতিৰ একৰূপতা বিধিৰেই এক বিশেষ ৰূপ। এই বিধি স্বতন্ত্ৰ মৌলিক বিধি নহয়। তেওঁলোকে প্ৰকৃতিৰ একৰূপতা বিধিটোক তিনি ভাগত ভাগ কৰিছে।

(১) সহ-অৱস্থিতিৰ একৰূপতা (uniformity of co-existence)

(২) পৌৰ্বাপৰ্যৰ বা অনুৰূপতাৰ একৰূপতা (uniformity of succession) আৰু

(৩) সমানতা আৰু অসমানতাৰ একৰূপতা (uniformity of equality and inequality)

তেওঁলোকে কাৰ্য-কাৰণ বিধিক দ্বিতীয় প্ৰকাৰ অৰ্থাৎ পৌৰ্বাপৰ্যৰ একৰূপতাৰ অন্তৰ্ভুক্ত কৰে। কাৰ্য-কাৰণ বিধিৰ অৰ্থ কেৱল সকলো ঘটনাৰ এটা কাৰণ থকাই নহয়, ইয়াৰ উপৰি একেই কাৰ্য সদায় একেটা কাৰণৰদ্বাৰাই উৎপাদিত হয়। গতিকে দেখা যায়, কাৰ্য-কাৰণ সম্বন্ধৰ মাজত এটা অনুক্ৰমিতাৰ একৰূপতা আছে। সেয়েহে কাৰ্য-কাৰণ বিধিক প্ৰকৃতিৰ একৰূপতা বিধিৰ এক বিশেষ ৰূপ বুলি তেওঁলোকে মত পোষণ কৰে।

আন কিছুমান তৰ্কবিদ যেনে — যোছেফ, মেলোন আদিয়ে আকৌ প্ৰকৃতিৰ একৰূপতা বিধিটোকহে কাৰ্য-কাৰণ বিধিৰ এক বিশেষ ৰূপ বুলি ক'ব খোজে। তেওঁলোকৰ মতে কাৰ্য-কাৰণ বিধিটোহে মৌলিক বিধি। কাৰ্য আৰু কাৰণৰ সম্বন্ধটো এক অনিবাৰ্য সম্বন্ধ। কাৰ্য-কাৰণৰ মাজত অনিবাৰ্য সম্বন্ধ নাথাকিলে দুটা ঘটনাক আমি কেতিয়াও কাৰ্য-কাৰণ সম্বন্ধৰে সম্বন্ধিত কৰিব নোৱাৰো। যি কাৰ্য যি কাৰণৰপৰাই ঘটে সেই একে কাৰ্য সদায় সেই একে কাৰণৰ পৰাই ঘটিব। এনেদৰে প্ৰকৃতিৰ একৰূপতা বিধিটো কাৰ্য-কাৰণ বিধিৰ মাজতেই নিহিত হৈ থকা দেখা যায়। সেয়েহে তেওঁলোকৰ মতে প্ৰকৃতিৰ একৰূপতা বিধিটো কাৰ্য-কাৰণ বিধিৰেই এক বিশেষ ৰূপ।

আকৌ আন কিছুমান তৰ্কবিদ ছিগবাৰ্ট, বোছাংকে ৰেল্টন আদি তৰ্কবিদসকলৰ মতে প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধি কোনোটোৱে কাৰো বিশেষ ৰূপ নহয়। দুয়োটাই স্বতন্ত্ৰ মৌলিক বিধি। প্ৰকৃতিৰ একৰূপতা বিধিমতে, একে পৰিৱেশত প্ৰকৃতিয়ে সদায় একে আচৰণ কৰে। আনহাতে কাৰ্য-কাৰণ বিধিমতে প্ৰত্যেক ঘটনাৰে

এটা নির্দিষ্ট কাৰণ থাকে। সেই নির্দিষ্ট কাৰণটোৱে এটা নির্দিষ্ট কার্যহে উৎপাদিত কৰে।

ওপৰৰ অভিমতবোৰৰপৰা আমি ইয়াতে উপনীত হ'ব পাৰো যে প্রকৃতিৰ একৰূপতা বিধি আৰু কার্য-কাৰণ বিধিৰ মাজত যদিও এক এৰাব নোৱৰা সম্পর্ক আছে; তথাপিও কিন্তু এটাক আনটোৰ বিশেষ ৰূপ বুলি ক'ব নোৱাৰো। প্রকৃতিৰ একৰূপতা বিধি বৈজ্ঞানিক-অবৈজ্ঞানিক সকলো প্রকাৰ আগমনৰে আকাৰগত ভিত্তি। কিন্তু কার্য-কাৰণ বিধিটো অকল বৈজ্ঞানিক আগমনৰে ভিত্তি। সেয়েহে বৈজ্ঞানিক আগমনে প্রকৃতিৰ একৰূপতা বিধিৰ উপৰি কার্য-কাৰণ বিধিৰ ওপৰত নির্ভৰ কৰি ইয়াৰ সিদ্ধান্তটো নিশ্চিত কৰে। অকল প্রকৃতিৰ একৰূপতা বিধিৰ ওপৰত নির্ভৰ কৰি সামান্য বচন প্রতিষ্ঠা কৰিলে সুনিশ্চিত সিদ্ধান্ত পাব নোৱাৰি। গতিকে দেখা গ'ল দুয়োটা বিধিয়েই স্বতন্ত্র মৌলিক বিধি। এটাক আনটোৰ অন্তর্ভুক্ত কৰিবলৈ চেষ্টা কৰাটো অযুক্তিকৰ।

**মূল শব্দ (Key Words)**

কার্য, কাৰণ, উপকাৰণ, সদৰ্থক উপকাৰণ, নঞৰ্থক উপকাৰণ, প্রযোজক, সংস্থা, সক্রিয়, নিষ্ক্রিয়, সমন্বয়, কার্য, সংমিশ্রণ, সমজাতীয় কার্য সংমিশ্রণ, বিজাতীয় কার্য সংমিশ্রণ, নানাকাৰণবাদ, উপাদানকাৰণ, আকাৰগতকাৰণ, নিমিত্তকাৰণ, পৰিণাম কাৰণ, অনিবার্যকাৰণ, পর্যাপ্তকাৰণ।

## পাঠৰ মূলকথা

কার্য-কাৰণ বিধি অনুসৰি প্রত্যেক ঘটনাৰে এটা পূর্ববর্তী কাৰণ থাকে। আকৌ এটা নির্দিষ্ট কাৰণৰপৰাহে এটা নির্দিষ্ট কার্য সৃষ্টি হ'ব পাৰে। কাৰণৰ কিছুমান উপাদান থাকে, যাক আমি উপকাৰণ বুলিব পাৰো। তর্কবিদ মিলে কাৰণক অনুকূল আৰু প্রতিকূল উপকাৰণৰ সমষ্টি বুলি কৈছে। কাৰভেথ ৰীডৰ মতে, গুণগতভাৱে কাৰণ কার্যৰ চৰ্তহীন, নিয়ত, পূর্ববর্তী ঘটনা আৰু পৰিমাণগতভাৱে দুয়োটা সমান। কার্য-কাৰণ নীতিৰ ওপৰত নির্ভৰ কৰি আগমনৰ সিদ্ধান্তৰ আকাৰগত সত্যতা প্রতিষ্ঠা কৰা হয় বাবে ই আগমনৰ আকাৰগত ভিত্তি।

মৌলিকতাৰ ক্ষেত্রত তর্কবিদ মিল আৰু বেইনৰ মতে, কার্য-কাৰণ বিধি প্রকৃতিৰ একৰূপতা বিধিৰ অন্তর্গত। তেওঁলোকে ক'ব খোজে, একৰূপতা বিধিহে মৌলিক বিধি। কার্য-কাৰণ বিধি মৌলিক নহয়। কিন্তু তর্কবিদ যোচেফ, মেলোন আদিৰ মতে কার্য-কাৰণ বিধিহে মৌলিক। একৰূপতা মৌলিক বিধি নহয়। কাৰণত সংযুক্ত হৈ থকা উপাদানবোৰক উপকাৰণ বোলে। উপকাৰণ সদৰ্থক আৰু নঞৰ্থক দুয়োবিধেই হ'ব পাৰে। যিবোৰ ঘটনা বা ঘটনাৰ অংশ কার্য সৃষ্টিৰ বাবে আৱশ্যকীয় তাক সদৰ্থক উপকাৰণ বোলে। যিবোৰ উপাদান কার্যৰ সৃষ্টিত সহায়ক নহয় সেইবোৰক নঞৰ্থক উপকাৰণ বোলে। কিন্তু সদৰ্থক আৰু নঞৰ্থক উপকাৰণ লগ লাগিয়েই কাৰণ পূর্ণ হয়।

কাৰ্য এটা ঘটিবলৈ অনুকূল আৰু প্ৰতিকূল উপকাৰণৰ অৰিহণা লাগিবই। কিন্তু এইটো সঁচা নহয় যে, এটা কাৰ্য বিভিন্ন কাৰণৰদ্বাৰা সৃষ্টি হ'ব পাৰে। যদি এনেদৰে ভবা হয়, তেন্তে নানাকাৰণবাদৰ জন্ম হয়। নানাকাৰণবাদ কাৰ্য-কাৰণ সম্পৰ্কীয় এনে এক ভ্ৰান্ত ধাৰণা, যিয়ে মতপোষণ কৰে যে, এটা কাৰ্য বিভিন্ন কাৰণৰদ্বাৰা সৃষ্টি হ'ব পাৰে। কিন্তু তৰ্কবিদ্যাত ই গ্ৰহণযোগ্য নহয়। মানুহ এজন গছৰপৰা পৰি বা পানীত পৰি বা বিষ খাই অথবা দুৰ্ঘটনাত বা বেমাৰত মৃত্যুবৰণ কৰিব পাৰে। কিন্তু আটাইবোৰেই মৃত্যুৰ কাৰণ হ'ব নোৱাৰে। সেই মৃত্যুৰ কাৰণ এটাই, সি হ'ল হাঁওফাঁওৰ কাৰ্য বন্ধ হৈ যোৱাটো। আনবোৰ উপসৰ্গহে, কাৰণ নহয়।

## অনুশীলনী

১। **খালী ঠাই পূৰণ কৰা ঃ**

(ক) কাৰ্যকাৰণ বিধি আগমন অনুমানৰ —— ভিত্তি।

(খ) কোনো ঘটনাৰ যি কোনো পূৰ্ববৰ্তী ঘটনাকেই ঘটনাটোৰ কাৰণ বুলি অভিহিত কৰিলে —— দোষ ঘটে।

(গ) নানাকাৰণবাদ কাৰণ সম্পৰ্কীয় এটা —— ধাৰণা।

(ঘ) —— ৰ মতে "কাৰণ সদৰ্থক বা অনুকূল আৰু নঞৰ্থক বা প্ৰতিকূল উপকাৰণৰ সমষ্টি"।

(ঙ) কাৰণ কাৰ্যৰ —— পূৰ্ববৰ্তী ঘটনা।

২। **চমু উত্তৰ দিয়া ঃ**

(ক) এৰিষ্টট'লৰ মতে কাৰণ কেই প্ৰকাৰৰ আৰু কি কি?

(খ) পৰ্যাপ্ত উপকাৰণ বুলিলে কি বুজা?

(গ) অনিবাৰ্য উপকাৰণ বুলিলে কি বুজা?

(ঘ) "কাৰণ অনুকূল আৰু প্ৰতিকূল উপকাৰণৰ সমষ্টি" — উক্তিটোৰ লগত জড়িত তৰ্কবিদগৰাকীৰ নাম কি?

৩। **পাৰ্থক্য নিৰ্ণয় কৰা ঃ**

(ক) কাৰণ আৰু উপকাৰণ

(খ) নানাকাৰণবাদ আৰু কাৰণ সমন্বয়

৪। **চমুটোকা লিখা ঃ**

(ক) নানাকাৰণবাদ

(খ) কাৰণ সমন্বয় আৰু কাৰ্য সংমিশ্ৰণ

(গ) অনুকূল আৰু প্ৰতিকূল উপকাৰণ

৫। কাৰণৰ সংজ্ঞা দিয়া। কাৰণৰ গুণগত আৰু পৰিমাণগত লক্ষণসমূহ বৰ্ণনা কৰা।

৬। কাৰণৰ পাঁচটা গুণগত লক্ষণ উল্লেখ কৰা।